# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-09-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। কেন্দ্ৰীয় কেবিনেটে আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত আয় নিৰ্বিশেষে ৭০ বছৰ বয়সৰ উৰ্ধ্বৰ সকলো জ্যেষ্ঠ নাগৰিকলৈ স্বাস্থ্য বীমাৰ সুবিধা আগবঢ়োৱাৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

২। ২০২৪-২৫ৰ পৰা ২০২৮-২৯ বিত্তীয় বৰ্ষৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী গ্ৰাম্য ছড়ক যোজনাৰ চতুৰ্থ পৰ্যায় ৰূপায়ণৰ বাবে গ্ৰামোন্নয়ন বিভাগৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন দিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অসামৰিক বিমান পৰিবহণ বিষয়ক এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ মন্ত্ৰী পৰ্যায়ৰ দ্বিতীয়খন সন্মিলনত অংশগ্ৰহণ কৰিব।

৪। হাৰিয়ানাৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

*আৰু*

৫। ভাৰত আজি পুৰুষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ পুল পৰ্যায়ৰ নিজৰ চতুৰ্থখন খেলত দক্ষিণ কোৰিয়াৰ সন্মুখীন হ'ব।

ooooo

কেন্দ্ৰীয় কেবিনেটে আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত আয় নিৰ্বিশেষে ৭০ বছৰ বয়সৰ উৰ্ধ্বৰ সকলো জ্যেষ্ঠ নাগৰিকলৈ স্বাস্থ্য বীমাৰ সুবিধা আগবঢ়োৱাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কেবিনেট বৈঠকৰ অন্তত কালি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, এই সিদ্ধান্তৰ ফলত জ্যেষ্ঠ নাগৰিকসকলে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাৰ সুবিধা লাভ কৰিব। তেওঁ কয় যে, ইয়াৰ পৰা দেশৰ প্ৰায় চাৰে ৪ কোটি পৰিয়াল আৰু ৬ কোটি জ্যেষ্ঠ নাগৰিক উপকৃত হ'ব।

যোগ্য জ্যেষ্ঠ নাগৰিকসকললৈ আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত নতুন সুকীয়া কাৰ্ড জাৰি কৰা হ'ব। যোজনাখনৰ অধীনত ইতিপূৰ্বে সামৰি লোৱা পৰিয়ালৰ ৭০ বছৰ বা তাতকৈ উৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলে প্ৰতি বছৰে নিজৰ বাবে ৫ লাখ টকা পৰ্যন্ত টপ আপ কভাৰ অৰ্থাৎ বৰ্তমানৰ পলিচীৰ সীমাতকৈ অধিক ধনৰাশিৰ বীমা সুবিধা লাভ কৰিব। একেদৰে ৭০ বছৰ বা তাতকৈ উৰ্ধৰ অন্য সকলো জ্যেষ্ঠ নাগৰিকে পৰিয়ালৰ ভিত্তিত বছৰি ৫ লাখ টকা পৰ্যন্ত বীমা সুবিধা লাভ কৰিব। ব্যক্তিগত বীমা পলিচী অথবা কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনিৰ অধীনৰ ৭০ বছৰ বা তাৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলেও এই যোজনাৰ সুবিধা লাভৰ বাবে যোগ্য বুলি বিবেচিত হ'ব।

ooooo

কেন্দ্ৰীয় কেবিনেটে ২০২৪-২৫ৰ পৰা ২০২৮-২৯ বিত্তীয় বৰ্ষৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী গ্ৰাম্য ছড়ক যোজনাৰ চতুৰ্থ পৰ্যায় ৰূপায়ণৰ বাবে গ্ৰামোন্নয়ন বিভাগৰ প্ৰস্তাৱত অনুমোদন দিছে। এই আঁচনিৰ বাবে মুঠ ৭০ হাজাৰ ১২৫ কোটি টকা ব্যয় হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, এই আঁচনিৰ অধীনত ৬২ হাজাৰ ৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে বৰ্তমানলৈকে যোগাযোগৰ ভাল সুবিধা নথকা ২৫ হাজাৰ বসতিস্থলক সামৰি লোৱা হ'ব। ইয়াৰ ফলত ৪০ কোটি কৰ্ম দিনৰ বাবে কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি হ'ব। সকলো বতৰত ব্যৱহাৰৰ উপযোগী এই পথসমূহে দূৰ্গম অঞ্চলৰ আৰ্থ সামাজিক উন্নয়ন আৰু পৰিৱৰ্তনৰ ক্ষেত্ৰত অনুঘটকৰ দৰে ভূমিকা পালন কৰিব। এই বসতিস্থলসমূহক পথেৰে সংযোগ কৰাৰ সময়ত নিকটৱৰ্তী চৰকাৰী শৈক্ষিক প্ৰতিষ্ঠান, স্বাস্থ্য প্ৰতিষ্ঠান, বজাৰ, বিকাশ কেন্দ্ৰৰ লগতে যথা সম্ভৱ সকলো ধৰণৰ সুবিধাৰে সংযুক্ত কৰাৰ প্ৰয়াস চলোৱা হ'ব যাতে ইয়াৰ পৰা স্থানীয় লোকসকল উপকৃত হয়। আঁচনিখনৰ অধীনত পথ যোগাযোগ আঁচনিসমূহক প্ৰধানমন্ত্ৰী গতিশক্তি প'ৰ্টেলৰ জৰিয়তে ৰূপায়ণ কৰা হ'ব।

ooooo

কেন্দ্ৰীয় কেবিনেটে বতৰৰ আগলি বতৰা আৰু জলবায়ু সম্পৰ্কীয় তথ্যৰ ক্ষেত্ৰত অধিক সামৰ্থ আহৰণৰ উদ্দেশ্য মিছন মৌচম যোজনাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই যোজনাৰ বাবদ ২ বছৰত ২ হাজাৰ কোটি টকা ব্যয় হ'ব। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, ধৰিত্ৰী বিজ্ঞান বিভাগে ৰূপায়ণ কৰিবলগীয়া এই যোজনাৰ ফলত দেশত বতৰ আৰু জলবায়ু সম্পৰ্কীয় বিজ্ঞান, গৱেষণা আৰু সেৱাৰ প্ৰসাৰ ঘটিব। এই অভিযানে সময়মতে বতৰ আৰু জয়বায়ুৰ সঠিক তথ্য প্ৰদানত সহায় কৰিব। মিছন মৌচমৰ অধীনত উন্নত চেন্সৰ, উচ্চ ক্ষমতা সম্পন্ন ছুপাৰ কম্পিউটাৰ আৰু ভৌগোলিক তথ্য ব্যৱস্থা বিশিষ্ট পৰৱৰ্তী প্ৰজন্মৰ ৰাডাৰ আৰু কৃত্ৰিম উপগ্ৰহ প্ৰণালী স্থাপন কৰা হ'ব। ইয়াৰ ফলত কৃষি, দুৰ্যোগ ব্যৱস্থাপনা, প্ৰতিৰক্ষা, পৰিৱেশ, বিমান পৰিবহণ, জল সম্পদ, শক্তি, পৰ্যটন, জাহাজ চলাচল, পৰিবহণ, বিদ্যুৎ আৰু স্বাস্থ্যৰ লেখীয়া ভালেমান খণ্ড লাভান্বিত হ'ব। নগৰীয়া পৰিকল্পনা, পথ আৰু ৰে'ল পৰিবহণ, উপকূলীয় সঞ্চালন আৰু জলবায়ু নিৰীক্ষণৰ দৰে ক্ষেত্ৰসমূহত তথ্য আধাৰিত সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াৰ উন্নয়নত ই সহায়ক হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অসামৰিক বিমান পৰিবহণ সম্পৰ্কীয় এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ দ্বিতীয়খন মন্ত্ৰী সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত প্ৰধানমন্ত্ৰীয়ে সকলো সদস্য ৰাষ্ট্ৰই 'দিল্লী ঘোষণা' গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিব। দিল্লী ঘোষণাই অঞ্চলটোৰ বিমান পৰিবহণ খণ্ডক নতুন শিখৰলৈ উন্নীত কৰাৰ এক দূৰদৰ্শী পৰিকল্পনা হিচাপে কাম কৰিব বুলি আশা কৰা হৈছে।

নতুন দিল্লীত কালি অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে এই মন্ত্ৰী সন্মিলনখন উদ্বোধন কৰে। মন্ত্ৰীগৰাকীক এই সন্মিলনৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হয়। তেওঁ ২০৩৫ চনৰ ভিতৰত ৩৫০ কোটি যাত্ৰীয়ে বছৰে যাত্ৰা কৰিব পৰাকৈ এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বিমানৰ আন্তঃগাঁথনিত

কৌশলগত বিনিয়োগৰ আহ্বান জনায়। ভাৰতে ২০২৫ চনৰ ভিতৰত বিমানৰ সৈতে জড়িত ক্ষেত্ৰসমূহত মহিলাৰ অংশগ্ৰহণ ২৫ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য ৰাখিছে বুলি উল্লেখ কৰে।

ooooo

হাৰিয়ানাৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ১৬ ছেপ্তেম্বৰলৈকে মনোনয়ন পত্ৰ প্ৰত্যাহ্বাৰ কৰিব পাৰিব। ৯০ জনীয়া হাৰিয়ানা বিধানসভাৰ বাবে ৫ অক্টোবৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ৮ অক্টোবৰত ভোট গণনা কৰা হ'ব।

ooooo

বিদেশ মন্ত্ৰী ড° এছ জয়শংকৰ আজি দুদিনীয়া ভ্ৰমণসূচীৰে ছুইজাৰলেণ্ডত উপস্থিত হ'ব। মন্ত্ৰীগৰাকীৰ ছৌদি আৰব, জাৰ্মানী আৰু ছুইজাৰলেণ্ড ভ্ৰমণৰ এয়া তৃতীয় তথা অন্তিম পৰ্যায়। জেনেভাত বিদেশ মন্ত্ৰীগৰাকীয়ে ভাৰতৰ সৈতে সক্ৰিয়ভাৱে জড়িত আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ মুৰব্বী আৰু প্ৰতিনিধিসকলক সাক্ষাৎ কৰিব। জেনেভাত ৰাষ্ট্ৰসংঘৰ বিভিন্ন সংস্থা আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ কাৰ্যালয় আছে। তেওঁ ছুইজাৰলেণ্ডৰ বিদেশ মন্ত্ৰীকো সাক্ষাৎ কৰিব আৰু উভয় দেশৰ ঘনিষ্ঠ সহযোগিতাৰ পৰ্যালোচনা কৰিব। দুয়োগৰাকী মন্ত্ৰীয়ে দ্বিপাক্ষিক সম্পৰ্ক ত্বৰান্বিত কৰাৰ পথৰো অন্বেষণ কৰিব।

ইয়াৰ পূৰ্বে ড° জয়শংকৰে কালি বাৰ্লিনত জাৰ্মানীৰ চেন্সেলৰ অ'লাফ স্ক'লজক সাক্ষাৎ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ব্যক্তিগত শুভেচ্ছা জ্ঞাপন কৰে। ত্ৰিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত বিদেশ মন্ত্ৰীগৰাকী জাৰ্মানীত উপস্থিত হৈছিল। তেওঁ জাৰ্মানীৰ খ্ৰীষ্টান ডেম'ক্ৰেটিক ইউনিয়ন দলৰ অধ্যক্ষ তথা চি ডি ইউ- চি এছ ইউ সংসদীয় দলৰ সদস্য ফ্ৰেড্ৰিক মাৰ্জক সাক্ষাৎ কৰে। বুণ্ডেষ্টাগ নামেৰে জনাজাত জাৰ্মান সংসদৰ সদস্যসকলৰ সৈতেও বিদেশ মন্ত্ৰীগৰাকীয়ে মত বিনিময় কৰে। ড° জয়শংকৰে লগতে জাৰ্মানীৰ বিদেশ মন্ত্ৰী আন্নালেনা বে'ৰবকৰ সৈতেও বিশদ আলোচনাত মিলিত হয়। আলোচনাকালত নেতা দুগৰাকীয়ে উভয় দেশৰ কৌশলগত সহযোগিতাৰ বাণিজ্য, প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ দৰে ক্ষেত্ৰসমূহৰ বুজ লয়।

ooooo

যোৱাবাৰৰ চেম্পিয়ন ভাৰত আজি চীনৰ হুলুনবুইৰত অনুষ্ঠিত পুৰুষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ পুল পৰ্যায়ৰ নিজৰ চতুৰ্থখন খেলত দক্ষিণ কোৰিয়াৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ১৫ মিনিটত আৰম্ভ হ'ব।

চাৰিবাৰকৈ প্ৰতিযোগিতাৰ খিতাপ দখল কৰা ভাৰতে কালি মালয়েছিয়াক ৮-১ গ'লৰ ব্যৱধাত পৰাভূত কৰি ইতিমধ্যে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। হৰমনপ্ৰীত সিং নেতৃত্বাধীন ভাৰতীয় দলটোৱে বৰ্তমানলৈকে ৩ খন খেলৰ পৰা ৯ পইণ্ট অৰ্জন কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় স্থানত আছে। ভাৰতে প্ৰথম দুখন খেলত আয়োজক দেশ চীন আৰু জাপানক ক্ৰমে ৩-০ আৰু ৫-১ গ'লত পৰাস্ত কৰিছে।

৬ খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতা ৰাউণ্ড ৰবীন ফৰমেটত অনুষ্ঠিত হৈছে। ৰাউণ্ড ৰবীন পৰ্যায়ৰ অন্তত শীৰ্ষ স্থান দখল কৰা চাৰিটা দলৰ মাজত ১৬ ছেপ্তেম্বৰত প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল অনুষ্ঠিত হ'ব। ১৭ ছেপ্তেম্বৰত ফাইনেল খেল অনুষ্ঠিত হ'ব।

ooooo

হাংগেৰীৰ বুডাপেষ্টত কালি ৪৫ সংখ্যক এফ আই ডি ই দবা অলিম্পিয়াড আৰম্ভ হয়। প্ৰতিযোগিতাৰ মুকলি শাখাত ভাৰতে ৪-০ ফলাফলেৰে মৰক্কোৰ বিৰুদ্ধে আৰু মহিলাৰ শাখাত জামাইকাৰ বিৰুদ্ধে ৩ দশমিক ৫- দশমিক ৫ ফলাফলেৰে আধিপত্য বিস্তাৰ কৰিছে।

মুকলি শাখাত আৰ প্ৰজ্ঞানানন্দই মৰক্কোৰ তিছিৰ মহম্মদক পৰাস্ত কৰি ভাৰতক অগ্ৰগতি প্ৰদান কৰে। ইয়াৰ কিছু সময়ৰ পাছতে বিদিত গুজৰাথীয়ে অউখিৰ মেহদি পেৰীক আৰু পেন্টালা হৰিকৃষ্ণই মোৱায়াদ আনাছক পৰাস্ত কৰে। চতুৰ্থখন খেলত বিশ্বক্ৰমৰ চতুৰ্থ স্থানৰ খেলুৱৈ অৰ্জুন এৰিগাইচিয়ে এলবিলিয়া জেইক্সৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰে।

ইপিনে মহিলাৰ শাখাত ভাৰতৰ বৈশালীয়ে প্ৰথমখন খেলত আদানী ক্লাৰ্কৰ বিৰুদ্ধে জয়লাভ কৰে। তানিয়া সচদেৱে গেব্ৰিয়েলা ৱাটছনক আৰু দিব্যা দেশমুখে ৰেচেল মিলাৰক পৰাস্ত কৰে । অৱশ্যে বন্তিকা আগৰৱাল আৰু ৰায়েহান্না ব্ৰাউনৰ মাজৰ খেলখন ড্ৰৰে সমাপ্ত হয়।

১২ দিনীয়া এই দ্বিবাৰ্ষিক প্ৰতিযোগিতাখনত ১৮০০ৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাৰ মুকলি শাখাত ১৯৩টা আৰু মহিলাৰ শাখাত ১৮১টা দলে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাৰ ২০২২ চনৰ সংস্কৰণত আয়োজক দেশ ভাৰতে দুয়োটা শাখাতে ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০০০

মণিপুৰৰ টি জি ইংলিছ বিদ্যালয়ে ৬৩ সংখ্যক সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ জুনিয়ৰ বয়জৰ খিতাপ দখল কৰিছে। দলটোৱে কালি নতুন দিল্লীত অনুষ্ঠিত ফাইনেলত মেঘালয়ৰ মিংগ্‌কেন খ্ৰীষ্টিয়ান উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ছাডেন ডেথ ট্ৰাই ব্ৰেকাৰৰ সহায়ত ৪-৩ গলত পৰাস্ত কৰে। খেলখন নিৰ্ধাৰিত সময়ত ১-১ গলত ড্ৰ হোৱাত ছাডেন ডেথ ট্ৰাই ব্ৰেকাৰৰ সহায় ল'বলগীয়া হয়।

০০০০০

**সমাপ্ত**